অধ্যায় ৪ ঃ সামাজিক চুক্তি তত্ত্ব—ৰুছো

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ মানৱ প্ৰকৃতি সম্পৰ্কে ৰুছোৰ দৃষ্টিভংগী
৪.৪ সামাজিক চুক্তি তত্ত্ব সম্পৰ্কে ৰুছোৰ দৃষ্টিভংগী
৪.৫ হবচ্, লক আৰু ৰুছোৰ তত্ত্বৰ সাদৃশ্য তথা প্ৰভেদ
৪.৬ সাধাৰণ ইচ্ছা সম্পৰ্কে ৰুছোৰ দৃষ্টিভংগী
৪.৭ সাধাৰণ মংগলৰ ধাৰণা
৪.৮ সমালোচনা
৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.১০ অধিক জানিবলৈ
৪.১১ অগ্ৰগতিৰ খতিয়ান
৪.১২ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মানৱ প্ৰকৃতি সম্পৰ্কে ৰুছোৰ দৃষ্টিভংগী কি আছিল সেয়া জানিব পাৰিব
- সামাজিক চুক্তি সম্পৰ্কে ৰুছোৰ দৃষ্টিভংগী কি আছিল সেয়া জানিব পাৰিব
- সাধাৰণ ইচ্ছা (General Will) আৰু সাধাৰণ মংগল (Common Good) ৰ ধাৰণা দুটাৰ বিষয়ে জানিব পাৰিব
- মানৱ প্ৰকৃতি সম্পৰ্কে থকা হবচ্, লক আৰু ৰুছোৰ দৃষ্টিভংগীৰ প্ৰভেদবোৰ জানিব পাৰিব।

৪.২ পৰিচয়

এই অধ্যায়টিত আমি মানৱ প্ৰকৃতি, সামাজিক চুক্তি আৰু সাধাৰণ ইচ্ছা সম্পৰ্কে ৰুছোৰ দৃষ্টিভংগী কি আছিল সেয়া আলোচনা কৰিম। অধ্যায়টিত মানৱ প্ৰকৃতি আৰু সামাজিক চুক্তি সম্পৰ্কে ৰুছোই প্ৰকাশ কৰি যোৱা দৃষ্টিভংগীৰ সৈতে একে বিষয়তে হবচ্ আৰু লকে প্ৰকাশকৰা দৃষ্টিভংগীৰ কি প্ৰভেদ আছে সেয়াও তুলনা কৰি চোৱা হ'ব। মানুহৰ মাজত থকা অসমতাই মানুহক কেনেদৰে সমাজ গঠন কৰিবলৈ ঐক্যৱদ্ধ কৰিছিল সেয়াও অধ্যায়টিত আলোচনা কৰা হ'ব। ৰুছোই ব্যক্তিগত ইচ্ছা অথবা কৰ্তৃপক্ষত গুৰুত্ব আৰোপ কৰা নাছিল। ইয়াৰ পৰিৱৰ্তে তেওঁ

'সকলোৰে ইচ্ছা' অথবা 'সাধাৰণ ইচ্ছা'ৰ গুৰুত্বত জোৰ দিছিল। সেই বিষয়েও অধ্যায়টিত আলোচনা কৰা হ'ব। আলোচনাত সামৰি লোৱা আন এটা ধাৰণা হ'ল 'সাধাৰণ মংগল'। ৰুছোৰ সাধাৰণ ইচ্ছাত এই সাধাৰণ মংগলৰ ধাৰণাটো যুক্ত হৈ আছেনে নাই আলোচনাকালত সেয়াপৰীক্ষা কৰি চোৱা হ'ব।

৪.৩ মানৱ প্ৰকৃতি সম্পৰ্কে ৰুছোৰ দৃষ্টিভংগী

আমি আগৰ অধ্যায়বোৰৰ আলোচনাত হবচ্ আৰু লকৰ মানৱ প্ৰকৃতি বিষয়ক দৃষ্টিভংগীবোৰ আলোচনা কৰিছো। তেওঁলোকৰ দৰে ৰুছোয়ো সমাজ গঠন হোৱাৰ আগতে মানুহৰ প্ৰকৃতি কেনেধৰণৰ আছিল সেয়া অধ্যয়ন কৰিছিল। ৰুছোৰ মতে সমাজৰ উৎপত্তি হোৱাৰ আগতে মানুহে আনন্দেৰে, মুক্ত মনেৰে, কোনো হাবিয়াস নথকাকৈ আৰু স্বাৰ্থপৰতাহীন ভাৱে বসবাস কৰিছিল। তেওঁ এই কালছোৱাক মানৱ জাতিৰ আদিম স্তৰ বুলি অভিহিত কৰিছে। এই সময়ছোৱাত মানুহৰ মাজত নিভাঁজ আনন্দই বিৰাজ কৰিছিল। মানুহ স্বাধীন, পৰিতৃপ্ত আৰু স্বনিৰ্ভৰশীল আছিল।তেওঁলোক কাৰো বাবে ভয়-ভীতৰ কাৰণ নাছিল আৰু স্বাৰ্থপৰো নাছিল। এই স্তৰত মানুহ লেখত ল'বলগীয়া সজ গুণৰ অধিকাৰী আছিল। মানুহৰ মাজত কোনো প্ৰভেদ নাছিল। কিন্তু মানুহৰ সংখ্যা বঢ়াৰ লগে লগে জীৱন যাপনৰ পদ্ধতিও সলনি হৈছিল। লাহে লাহে মানুহে নতুন নতুন বস্তু আৱিষ্কাৰ কৰিবলৈ শিকিছিল আৰু আৰ্থিক দিশেৰে উন্নত হ'বলৈ ধৰিছিল। মানুহে নিগাজীকৈ বসবাস কৰিবলৈ, স্থায়ী পৰিয়াল গঠন কৰিবলৈ আৰু সম্পত্তি আহৰণ কৰিবলৈ শিকিছিল। এই তিনিওটা কথাৰ সৈতে প্ৰতিযোগিতা আৰু পাৰদৰ্শিতাৰ দিশ দুটাৰো উত্থান ঘটিছিল। সমাজ গঠনৰ আগৰ মানৱ গোটবোৰক মানৱ প্ৰকৃতি অসহিষ্ণুকৰ স্তৰ বুলিব নোৱাৰি। কিন্তু সমাজ গঠন হোৱাৰ পাছৰ স্তৰবোৰ অধ্যয়ন কৰিলে গম পোৱা যাব যে আদিম স্তৰটোৱেই মানুহৰ জীৱনপৰ সবাতোকৈ সুখী স্তৰ আছিল।

ৰুছোৰ মতে মানুহে আদিম সামাজিক অৱস্থাৰ পৰা নিজৰ উত্থান ঘটোৱাৰ আঁৰত নিশ্চয় কিবা বিধ্বংসী কাৰণ লুকাই আছিল। যিয়েই নহওক, নতুন সামাজিক অৱস্থাৰ অধীনত মানুহে খেতিৰ সহায়ত জীৱন নিৰ্বাহ কৰিবলৈ শিকিলে আৰু বহুতো নতুন নতুন কথা আৱিষ্কাৰ কৰিলে। মানুহৰ মাজত সহযোগিতাৰ মনোভাৱ সৃষ্টি হ'ল। কাম কৰাৰ সামৰ্থৰ ক্ষেত্ৰত সমাজত ধনী আৰু দুখীয়া শ্ৰেণীৰ মাজত প্ৰভেদৰ সৃষ্টি হ'ল। সম্পত্তি অসমতাৰ প্ৰধান উৎসত পৰিণত হ'ল। ইয়াৰ বাবে যুদ্ধ-বিগ্ৰহ, হত্যা আৰু আন বহুতো সংঘাতৰ আৰম্ভণি হ'ল। এনে অৰাজকতাৰ পৰা নিজকে ৰক্ষা কৰিবলৈ মানুহে নাগৰিক সমাজ গঠন কৰিলে। অসমতাৰ চূড়ান্ত পৰ্যায়ত সমাজত গৰাকী আৰু দাস শ্ৰেণীৰ সৃষ্টি হ'ল।

প্ৰকৃতি ৰাজ্য সম্পৰ্কে ৰুছোৰ ধাৰণাটো মনোবৈজ্ঞানিক বুলি কোৱাতকৈ ঐতিহাসিক বুলি কোৱাটোৱেই হয়তো ঠিক হ'ব। কিন্তু লকৰ দৰেই ৰুছোয়ো তেওঁ নিজে বৰ্ণনা কৰা চৰ্তবোৰ নিজেই গ্ৰহণ কৰাৰ ক্ষেত্ৰত দুৰ্বলতাৰ পৰিচয় দিছিল। তেওঁ সমসাময়িক সমাজখনৰ

নির্ভুল ধাৰণা এটা গঢ়ি তোলাৰ স্বার্থত প্রকৃতি ৰাজ্য সম্বর্কে কেৱল এক অৱধাৰণাহে আগবঢ়াইছিল। হবচ্ৰ দৰে ৰুছোয়ো মানৱ প্রকৃতিৰ বিমূর্ত্ত ধাৰণা কিছুমান গঢ়াৰ প্রয়াস কৰিছিল।

ৰুছোৰ মতে মানুহৰ জীৱনক যুক্তি আৰু আৱেগে নিয়ন্ত্রণ কৰে। প্রকৃতি ৰাজ্যত মানুহ কেৱল নিজৰ কল্যাণ আৰু সুৰক্ষাক লৈ চিন্তিত। একে সময়তে মানুহ অন্যৰ মৃত্যু আৰু যন্ত্রণাক লৈ অসন্তুষ্ট। এই আত্ম-নিমগ্নতা আৰু অসন্তুষ্টিৰ দৃষ্টিভংগী দুটাৰ পৰাই মানৱ সমাজৰ সকলো নীতি-নিয়ম, আইন-কানুন আৰু অধিকাৰৰ সৃষ্টি হৈছে।

ৰুছোৰ দৃষ্টিভংগী অনুসৰি চৌপাশৰ পৰিৱেশৰ সন্মুখীন হ'বলৈ মানুহে নিজৰ যুক্তি ব্যৱহাৰ কৰিছিল। যুক্তি আৰু প্রকৃতিৰ মাজত কোনোধৰণৰ সংগতি নাই। মানুহৰ স্বাভাৱিক অনুভৱে মানুহক আনন্দিত কৰিছিল। কিন্তু যুক্তিৰ ব্যৱহাৰ কৰিবলৈ লোৱাৰ লগে লগে মানুহক অসন্তুষ্টিয়ে আৱৰি ধৰিছিল।

ওপৰৰ আলোচনাৰ আধাৰত ক'ব পাৰি যে প্রকৃতি ৰাজ্যত বাস কৰা মানুহবোৰৰ অৱস্থা স্বর্গৰাজ্যত বাস কৰাৰ দৰে আছিল। সেই অৱস্থাত সকলো মানুহ শান্তি আৰু আনন্দেৰে বাস কৰিছিল। কিন্তু মানুহৰ সংখ্যা বঢ়াৰ লগে লগে ব্যক্তিগত সম্পত্তিক লৈ বিভিন্ন সংঘাতৰ সূত্রপাত হৈছিল। সমাজৰ অৱনতি ৰোধ কৰি পুনৰ শান্তিপূর্ণ অৱস্থা ঘূৰাই অনাৰ বাবে মানুহ এক চুক্তিত আৱদ্ধ হৈছিল। এয়াই হ'ল সামাজিক চুক্তি আৰু ইয়াৰ পৰাই কালক্রমত সমাজৰ উত্থান ঘটিছিল।

৪.৪ সামাজিক চুক্তি তত্ত্ব সম্পর্কে ৰুছোৰ দৃষ্টিভংগী

আমি ইতিপূর্বে আলোচনা কৰি আহিছো যে সামাজিক চুক্তি তত্ত্ব হ'ল ব্যক্তি আৰু সমাজৰ মাজত স্থাপন হোৱা চুক্তি। সামাজিক চুক্তি তত্ত্ব সম্পর্কে হবচ্ আৰু লকৰ দৃষ্টিভংগীও আমি ইয়াৰ আগতে আলোচনা কৰিছো। এইবাৰ তত্ত্বটো সম্পর্কে ৰুছোই কেনেধৰণৰ দৃষ্টিভংগী পোষণ কৰিছিল সেয়া আলোচনা কৰি চাও আহক!

ৰুছোই ১৭৬২ চনত প্রকাশিত তেওঁৰ গ্রন্থ 'Social Contract' ত সামাজিক চুক্তি তত্ত্বটো আলোচনা কৰিছে। ৰাষ্ট্রৰ কর্তৃত্ব আৰু ব্যক্তিৰ স্বাধীনতা- এই দুটা ধাৰণাৰ মাজত থকা ব্যৱধান নাইকিয়া কৰিবলৈ তেওঁ হবচ্ আৰু লকৰ তত্ত্ব দুটা একত্রিত কৰাৰ প্রয়াস কৰিছিল। তেওঁ নিজৰ তত্ত্বটোত হবচ্ৰ তত্ত্বটোৰ আৱশ্যণি আৰু লকৰ তত্ত্বটোৰ সামৰণি যোগ দিছিল। কিন্তু কার্যক্ষেত্রত ৰুছোই লকক অনুসৰম কৰিছিল। ৰুছোৰ মতে সমাজ গঠন কৰি ব্যক্তিয়ে সকলো ক্ষমতা কর্তৃপক্ষৰ হাতত অর্পন কৰা নাছিল। ইয়াৰ বিপৰীতে তেওঁলোকে ক্ষমতা নিজৰ হাততেই ৰাখিছিল। অর্থাৎ, ৰুছোই ক্ষমতা ৰজাৰ সলনি সাধাৰণ নাগৰিকৰ হাতত থকাৰ কথা কৈছিল। ৰুছোৰ মত অনুসৰি মানুহ জন্মতে মুক্তকিন্তু পাছত বিভিন্ন বান্ধোনত বান্ধ খাই পৰে ৰু সর্বোচ্চ ক্ষমতা নিজৰ হাতত ৰাখিব পৰাকৈ কোনো কর্তৃত্ব থাকিব নোৱাৰে। ব্যক্তিৰ মাজত চুক্তি সম্পাদিত হোৱাৰ সময়তো ব্যক্তি স্বাধীনতা অক্ষুণ্ণ ৰখা হৈছিল। এই চুক্তিৰ জৰিয়তে মানুহ এক সামাজিক বন্ধোনত বান্ধ খাই পৰিছিল। চুক্তিৰ অধীনত যথেষ্ট সংখ্যক মানুহ লগ হৈ এটা সমূহীয়া এককৰ

সৃষ্টি কৰিছিল আৰু এই এককটোৱে এখন সমাজ গঠন কৰিছিল। ৰুছোক হবচ্ আৰু লক দুয়ো অনুপ্রাণিত কৰিছিল। ৰুছোৰ মতে ব্যক্তিৰ মাজত সমতা আছিল আৰু প্রতিগৰাকী ব্যক্তিয়ে নিজৰ সকলো অধিকাৰ আৰু ক্ষমতা সমাজৰ অর্পন কৰিছিল। অর্থাৎ, সমাজৰ সদস্য হিচাপে কোনোৱেই একো বস্তু নিজৰ বুলি দাবী কৰিব নোৱাৰিছিল। ৰুছোৰ মতে পাৰস্পৰিক সংৰক্ষণৰ স্বার্থতে মানুহ নাগৰিক সমাজৰ সদস্য হৈছিল। মানুহে নিজকে সুৰক্ষিত ৰখাৰ স্বার্থত এনে সমাজৰ অংশ হৈ নিজেই কর্তৃপক্ষ বাছনি কৰিছিল। ৰুছোৰ মতে এনেদৰে সমাজ এখন গঠন কৰাৰ বাবে নিজৰ মাজতে চুক্তি কৰিবলৈ একত্রিত হোৱা মানৰ গোটটোৱেই হ'ল সার্বভৌম কর্তৃত্ব। এই কর্তৃত্বই আনসকলক একত্রিত হোৱাত সহায় কৰে আৰু ব্যক্তিহ ভিন ভিন ধৰণৰ মতামত বিচাৰ কৰি চায়। ৰুছোই বিভিন্ন প্রকাৰৰ চৰকাৰৰ কথা উল্লেখ কৰিছে, যেনে- ৰাজতন্ত্র, অভিজাততন্দ্র আৰু গণতন্ত্র। এই আটাই কেইবিধ চৰকাৰৰে কিছুমান সুবিধা আৰু কিছুমান ত্রুটি আছে। কিন্তু ৰুছোৰ মতে চৰকাৰ যেনে ধৰণৰে নহওক কিয় ইয়াৰ সবাতোকৈ গুৰুত্বপূর্ণ কামটো হ'ল সমাজৰ 'সাধাৰণ ইচ্ছা' বিবেচনা কৰি চোৱা। সাধাৰণ ইচ্ছাৰ ধাৰণাটো পৰৱর্তী শিতানত আলোচনা কৰা হৈছে। ৰুছোই গণতান্ত্রিক পদ্ধতিৰ চৰকাৰক সমর্থন কৰিছিল। কাৰণ, এনে চৰকাৰে সকলো ব্যক্তিৰ প্রয়োজনীয়তা পূৰণৰ চেষ্টা কৰে। ৰছোৰ মতে সমাজৰ উত্থান ঘটাৰ আগতেই প্রকৃতি ৰাজ্যত ব্যক্তিৰ মৌলিক স্বাধীনতা, আনন্দ আৰু ব্যক্তি-স্বতন্ত্রতাৰ দৰে বিষয়বোৰৰ অস্তিত্ব আছিল। তেওঁ ব্যক্তিৰ সার্বভৌমত্বৰ পোষকতা কৰিছিল। ৰুছোৰ মত অনুসৰি ৰাষ্ট্র, আইন, সার্বভৌমত্ব আদিৰ সংজ্ঞাবোৰ আন্তঃপৰিৱর্তনশীল।

৪.৫ হবচ্, লক আৰু ৰুছোৰ তত্ত্বৰ সাদৃশ্য তথা প্রভেদ সাদৃশ্যসমূহ

১) হবচ্, লক আৰু ৰুছোই সামাজিক চুক্তিৰ বিশ্বাস কৰিছিল। তিনিওগৰাকীয়ে ইয়াৰ জৰিয়তে সমাজৰ সৃষ্টি হৈছিল বুলি মানি লৈছিল। তেওঁলোকে ইয়াক ব্যক্তি আৰু সমাজৰ মাজত স্থাপন হোৱা সম্পর্কৰ মূর্ত ৰূপ বুলি গণ্য কৰিছিল।

২) হবচ্, লক আৰু ৰুছোই সমাজৰ গঠন হোৱাৰ পূর্বে মানৰ প্রকৃতি কেনেধৰণৰ আছিল সেয়া বর্ণনা কৰিছে।

৩) তিনিওগৰাকীয়ে বিশ্বাস কৰিছিল যে সামাজিক চুক্তি সম্পাদন কৰি মানুহে প্রকৃতি ৰাজ্যত থকা সংঘাত আৰু সমস্যাবোৰ আঁতৰ কৰিবলৈ সন্মত হৈছিল।

৪) তিনিও গৰাকীয়ে এই কথাত সহমত পোষণ কৰিছিল যে ব্যক্তিয়ে সম্পূর্ণ স্বৈচ্ছিক সন্মতিৰে সামাজিক চুক্তি সম্পাদিত কৰিছিল।

প্রভেদসমূহ

১) হবচ্, লক আৰু ৰুছোই সমাজৰ উৎপত্তি হোৱাৰ আগতে মানৰ প্রকৃতি কেনে আছিল সেয়া বর্ণনা কৰিছে যদিও তেওঁলোকৰ দৃষ্টিভংগীৰ মাজত পার্থক্য আছে।

২) হবচ্ৰ মতে সমাজ গঠন হোৱাৰ পূর্বে মানুহ স্বার্থপৰ প্রকৃতিৰ আছিল। মানুহে অন্যৰ স্বার্থ জলাঞ্জলি দি নিজৰ স্বার্থ পূৰণ কৰিবলৈ বিচাৰিছিল।

৩) আনহাতে, লকে বিশ্বাস কৰিছিল যে সমাজ গঠন হোৱাৰ পূৰ্বে মানুহৰ প্ৰকৃতি শান্তিপ্ৰিয় আৰু আনন্দিত আছিল। ব্যক্তিৰ মাজত সমতা আছিল।

৪) ৰুছোই প্ৰাক্-সামাজিক মানুহৰ প্ৰকৃতিক মৰতত থকা সৰগৰ সৈতে তুলনা কৰিছিল। তেওঁৰ মতে এনে অৱস্থাত মানুহৰ মাজত স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ববোধ আছিল।

৫) হবচ্, বিশ্বাস কৰিছিল যে প্ৰকৃতি ৰাজ্যৰ অসহিষ্ণু অৱস্থাৰ পৰা পৰিত্ৰাণ পাবলৈ ব্যক্তিয়ে নিজৰ মাজতে সামাজিক চুক্তি সম্পাদন কৰিছিল। লকে কৈছিল যে প্ৰকৃতি ৰাজ্যত থকা কিছুমান অসুবিধা আঁতৰাবলৈহে মানুহ সামাজিক চুক্তিত আৱদ্ধ হৈছিল। আকৌ, ৰুছোৰ মতে অসমতা আৰু অন্যায় দূৰ কৰিবলৈকেহে ব্যক্তিয়ে নিজৰ মাজতে সামাজিক চুক্তি সম্পাদিত কৰিছিল। কেৱল সমাজ প্ৰতিষ্ঠাৰ জৰিয়তেহে এনে সমস্যাবোৰ আঁতৰ কৰাটো সম্ভৱ।

৬) হবচ্ আৰু ৰুছোই মাত্ৰ এখন 'সামাজিক চুক্তি'ৰ কথা কৈছিল। কিন্তু লকৰ মতে এনে চুক্তি দুখন- সামাজিক চুক্তি আৰু ৰাজনৈতিক চুক্তি।

৭) হবচ্ৰ মতে সমাজ গঠন কৰাৰ পাছত ব্যক্তিয়ে নিজৰ সকলো অধিকাৰ কৰ্তৃপক্ষৰ হাতত সম্পূৰ্ণৰূপে অৰ্পন কৰে। লকৰ মতে মানুহে অইনৰ অধিকাৰ সুৰক্ষিত ৰাখিবলৈ নিজৰ অধিকাৰ আংশিকভাৱে কৰ্তৃপক্ষৰ হাতত অৰ্পন কৰিছিল। ৰুছোৰ মতে সমাজৰ সদস্যসকলে ৰজা অথবা শাসকৰ ওচৰত নহয় সাধাৰণ ইচ্ছাৰ ওচৰতহে নিজৰ অধিকাৰ অৰ্পন কৰিছিল।

৮) হবচ্ কৰ্তৃপক্ষৰ চৰম ক্ষমতা থাকে বুলি কৈছিল। লকে ব্যক্তিৰ চৰম স্বাধীনতাৰ কথা কৈছিল। ৰুছোই ৰাষ্ট্ৰৰ কৰ্তৃত্বক ব্যক্তিৰ স্বাধীনতাৰ সৈতে সংযুক্ত কৰাৰ চেষ্টা চলাইছিল।

৪.৬ সাধাৰণ ইচ্ছা সম্পৰ্কে ৰুছোৰ দৃষ্টিভংগী

ৰুছোৰ সামাজিক চুক্তি তত্ত্ব অধ্যয়ন কৰোঁতে পোৱা এটা ধাৰণা হ'ল সাধাৰণ ইচ্ছা ()। ৰুছোই বিশ্বাস কৰিছিল যে সমাজ গঠন কৰাৰ পাছত ব্যক্তিয়ে 'সাধাৰণ ইচ্ছা'ৰ চূড়ান্ত নিৰ্দেশৰ অধীনত নিজ ক্ষমতা সমৰ্পন কৰিছিল। কিন্তু প্ৰশ্ন হ'ল "সাধাৰণ ইচ্ছাকি?"

বিভিন্ন লেখকে বিভিন্ন অৰ্থত 'সাধাৰণ ইচ্ছা'ৰ সংজ্ঞাটো ব্যৱহাৰ কৰিছে। কেতিয়াবা 'জনগণৰ ইচ্ছা' নিৰ্ণয় কৰা গৰিষ্ঠসংখ্যক ভৌটৰ কথা বুজাবলৈ সংজ্ঞাটো ব্যৱহাৰ কৰা হয়। ব'চানকেটৰ মতে, "ভোটৰ সলনি আলোচনাৰ দ্বাৰাহে জন সাধাৰণৰ 'সাধাৰণ ইচ্ছা' নিৰ্ণয় কাৰ হয়।" মেকেঞ্জিৰ মতে ই হ'ল 'সহযোগিতাৰ ইচ্ছা'। ইয়াৰ দ্বাৰা মানুহে আনৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে নিজৰ দাবীবোৰৰ ক্ষেত্ৰত আপোচ কৰে। যদি অন্যৰ প্ৰয়োজনীয়তা নিজৰ প্ৰয়োজনীয়তাতকৈ অধিক গুৰুত্বপূৰ্ণ বুলি বিবেচিত হয়, তেতিয়া মানুহে এনে ইচ্ছাৰে কাম কৰে। কিন্তু 'সাধাৰণ ইচ্ছা'ই কেৱল ভিন্ন দৃষ্টিভংগীৰ মাজত হোৱা আপোচকে নুবুজায়। কোনো এক পৰিস্থিতি সামগ্ৰিকভাৱে বিবেচনা কৰাৰ অন্তত ব্যক্তিগত দাবীবোৰ পৰিহাৰ কৰি এক সৰ্ব-

সমর্থিত সিদ্ধান্তত উপনীত হোৱাটোও 'সাধাৰণ ইচ্ছা'ৰ অংশ। অর্থাৎ, 'সাধাৰণ ইচ্ছা'ত তলৰ বৈশিষ্ট্য দুটা থাকে—

১) একাধিক ব্যক্তিয়ে মাত্র এটা সিদ্ধান্তত সন্মত হয়

২) ব্যক্তিগত ইচ্ছাৰ মাজত সমতা স্থাপন কৰি সমাজৰ বৃহত্তৰ গোটটোৰ কল্যাণ সাধন কৰা হয়।

গ্রীনৰ সংজ্ঞা অনুসৰি 'সাধাৰণ ইচ্ছা' হ'ল মানুহৰ মাজত থকা উমৈহতীয়া স্বার্থৰক্ষাৰ বোধ আৰু উমৈহতীয়া উদ্দেশ্য সাধন কৰাৰ ইচ্ছা।

ৰুছোৰ মতে 'সাধাৰণ ইচ্ছা' হ'ল 'সকলোৰে ইচ্ছা' (Will of all) সামৰি লৈ সকলো ব্যক্তিৰ মাজত সম্পাদিত হোৱা চুক্তি। ৰুছোৰ দর্শনৰ সৈতে জড়িত সবাতোকৈ গুৰুত্বপূর্ণ ধাৰণাবোৰৰ এটা হ'ল 'সাধাৰণ ইচ্ছা'। তেওঁ 'সাধাৰণ ইচ্ছা'ৰ ৰ সৈতে ব্যক্তি তথা গোটৰ 'বিশেষ' আৰু 'পৰস্পৰ বিৰোধী ইচ্ছা'ৰ প্রভেদ নাই বুলি মত পোষণ কৰিছে।তেওঁ কৈছে যে সকলো ব্যক্তিৰ সাধাৰণ ইচ্ছালৈ লক্ষ্য ৰাখি আইন-কানুনবোৰ প্রস্তুত কৰা হয়। অর্থাৎ, ব্যক্তিৰ স্বাধীনতা আৰু কর্তৃপক্ষৰ স্বাধীনতা একে কথা। দুয়োটাৰে মাজত কোনো ধৰণৰ পৰস্পৰ বিৰোধিতা নাই। ব্যক্তিয়ে যেতিয়া আইন অনুসৰণ কৰেতেতিয়া তেওঁলোকে নিজেই নিজকে অনুসৰণ কৰে। কাৰণ, আইনে ব্যক্তিৰ সাধাৰণ ইচ্ছাক সামৰি লয়।

ৰুছোই ইয়াকো কৈছে যে সাধাৰণ ইচ্ছাই ব্যক্তিৰ উৎকর্ষতাৰ প্রতিনিধিত্ব কৰে। ই কোনো বিমূর্ত্ত আদর্শ নহয়। ই সকলো ব্যক্তিৰ সাধাৰণ ইচ্ছা-আগ্রহক সামৰি লয়। তেওঁৰ মতে সাধাৰণ ইচ্ছাত ব্যক্তিৰ সন্মতি থকা কথাটোৱে ব্যক্তিৰ ন্যায়বোধৰ পৰিচয় দিয়ে। ব্যক্তিসদায় নিজ স্বার্থ ৰক্ষাক লৈ চিন্তিত। কিন্তু 'সাধাৰণ ইচ্ছ' প্রয়োগৰ সময়ত ব্যক্তিয়ে এই বিষয়ে আলোচনা নকৰে। তাৰ পৰিৱর্তে এনে সময়ত ব্যক্তিয়ে 'তাড়নাবোৰৰ নীৰৱতা' (Silence of Passions) ত নিজ নিজ বিবেকৰ নির্দেশ অনুসৰি পৰিচালিত হয়।

কিছুমান পণ্ডিতে 'সাধাৰণ ইচ্ছা'ৰ ধাৰণাটোৰ সমালোচনা কৰিছে। কাৰণ 'সাধাৰণ ইচ্ছা'ই ব্যক্তি আৰু ব্যক্তি গোটৰ যুক্তিসংগত স্বার্থৰ প্রতিনিধিত্ব কৰে যদিও একে সময়তেএনে ইচ্ছাক যুক্তিসংগত বুলিও ক'ব নোৱাৰি। কাৰণ, ইয়াৰ সৈতে ব্যক্তিৰ নিজ সমাজৰ প্রতি থকা টান জড়িত হৈ থাকে।

ৰুছোৰ মতে প্রত্যেক ব্যক্তিয়েই সকলো ব্যক্তিৰে উমৈহতীয়া মংগলৰ কথা চিন্তা কৰে। সেয়েহে তেওঁলোকে সিদ্ধন্তৰ এক আদর্শ অৱস্থাত উপনীত হয় আৰু সেয়াই হ'ল 'সাধাৰণ ইচ্ছা'। তেওঁৰ দৃষ্টিভংগী অনুসৰি মানুহক যদি আইন অনুসৰণ কৰিবলৈ বলপূর্বকভাৱে বাধ্য কৰোৱা হয়, তেন্তে মানুহ সমাজৰ পৰা মুক্ত হ'বলৈ বাধ্য হৈ পৰিব। ৰুছোৰ মতে কর্তৃত্ব অথবা চৰকাৰ এখন কেৱল তেতিয়াহে ক্ষমতাশালী হৈ থাকিব যেতিয়া ই ব্যক্তিৰ সাধাৰণ ইচ্ছাৰ কথা বিবেচনা কৰি চলি থাকিব। কর্তৃত্ব অথবা চৰকাৰখনে জনসাধাৰণৰ 'সাধাৰণ ইচ্ছা' অনুসৰণ নকৰি নিজকে সবাতোকৈ ক্ষমতাশালী বুলি ভবাৰ লগে লগে নিজ ক্ষমতা হেৰুৱাই পেলাব।

ৰুছোই ইয়াকো কৈছিল যে 'সাধাৰণ ইচ্ছা'ক 'সংখ্যাগৰিষ্ঠৰ ইচ্ছা' (majority will) অথবা 'সংখ্যালঘিষ্ঠৰ ইচ্ছা (minority will) অথবা 'সংঘৱদ্ধ ইচ্ছ' (corporate will) অথবা 'বিশেষ ইচ্ছা' (specific will) বুলি ক'ব নোৱাৰি। এই ইচ্ছা জনসাধৰণৰ আটাইবোৰ ইচ্ছাৰ সৰ্বমুঠ যোগফলো নহয়। ই হ'ল সকলো ব্যক্তিৰে উমৈহতীয়া মংগলৰ স্বাৰ্থত গঢ় লোৱা ইচ্ছা। ইয়াত আপোচৰ প্ৰশ্ন জড়িত নাথাকে। ইয়াত সেইসকল ব্যক্তিৰ সমৰ্থন জড়িত থাকে যিসকলৰ ইচ্ছাৰ ই প্ৰতিনিধিত্ব কৰে। 'সাধাৰণ মংগল' (common good) হ'ল এটা নৈতিক ধাৰণা। ইয়াৰ সৈতে ন্যায় জড়িত হৈ থাকে। অৰ্থাৎ,'সাধাৰণ ইচ্ছা'ৰ ধাৰণাটোৰ আলোচনাৰ পৰা এয়া স্পষ্ট হ'ল যে এই ধাৰণাটোৰ সৈতে সকলো ব্যক্তিৰ 'সাধাৰণ মংগল' জড়িত হৈ থাকে। সকলো ব্যক্তিৰ ভালৰ বাবে 'সাধাৰণ ইচ্ছা' গঢ় লৈ উঠে। ইয়াৰ অবিহনে সমাজ এটা একক কৰ্তৃপক্ষৰ ইচ্ছা-অনিচ্ছাৰে পৰিচালিত হ'ব আৰু এনে সমাজত ব্যক্তিৰ 'সাধাৰণ ইচ্ছা'ক আওকাণ কৰা হ'ব।

৪.৭ সাধাৰণ মংগলৰ ধাৰণা

ই সকলো ব্যক্তিৰ 'ভাল'টো বুজায়। কেতিয়াবা 'সাধাৰণ মংগল' খণ্ডবাক্যটোৰ অৰ্থ ভুলকৈ বুজা হয়। ব্যক্তিগত মংগলক আওকাণ কৰি সাধাৰণ মংগলৰ অৱস্থাত উপনীত হ'ব পৰা যায়। ব্যক্তিগত মংগল আৰু সাধাৰণ মংগল হ'ল পৰস্পৰ বিৰোধী ধাৰণা। কিন্তুএই চিন্তা শুদ্ধ নহয়। সাধাৰণ মংগল আৰু ব্যক্তিগত মংগল একেলগে সংঘটিত হয়। স্পিনোজাৰ মতে কোনো যুক্তিৰে পৰিচালিত ব্যক্তিয়ে অন্যৰ মংগলৰ বিপৰীতে যোৱা কোনো ইচ্ছা পুহিব নোৱাৰে। ব্যক্তি এখন সামগ্ৰিক সমাজৰ অংশ। সেয়েহে, ব্যক্তিগত স্বাৰ্ধ আৰু উমৈহতীয়া স্বাৰ্থৰ মাজত কোনো ব্যৱধান নাই। কোনো মানুহ স্বয়ং-সম্পূৰ্ণ নহয়। ব্যক্তিয়ে সমাজ জীৱনত অংশগ্ৰহণ নকৰা পৰ্যন্ত উৎকৰ্ষৰ সৰ্বোচ্চ সীমাত উপনীত হ'ব নোৱাৰে। অৰ্থাৎ, সমাজৰ মংগল হোৱা মানেই হ'ল সমাজৰ অংশ ব্যক্তিৰ মংগল হোৱা। গ্ৰীনৰ মতে আত্ম -উপলব্ধিয়েই হ'ল সাধাৰণ মংগলৰ প্ৰকৃতি। মানুহ সাধাৰণতে নিজ নিজ স্বাৰ্থক লৈ চিন্তিত। কিন্তু মানুহ সমাজ বিচ্ছিন্ন হৈ বাস কৰিব নোৱাৰে। নিজ অস্তিত্ব বৰ্তাই ৰাখিবলৈ মানুহে সমাজক নিৰ্ভৰ কৰিব লাগে। সেয়েহে ব্যক্তিয়ে নিজ স্বাৰ্থ পূৰণ কৰিবলৈ সমাজৰ স্বাৰ্থ পূৰণৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। মানুহ কেতিয়াও সম্পূৰ্ণ অহংবোধৰ দ্বাৰা পৰিচালিত হ'ব নোৱাৰে। মানুহৰ অংহবোধৰ দ্বাৰা সৃষ্ট অভিপ্ৰায়বোৰেও তেওঁক অৱশেষত পৰাৰ্থবাদ (altruism)ৰ দিশেৰেই আগুৱাই নিব। কাৰণ সামাজিক প্ৰাণীৰূপে মানুহে নিজৰ মংগলৰ স্বাৰ্থতেই সমাজৰ মংগলৰ কথা চিন্তা কৰিব লাগি।

৪.৮ সমালোচনা

কেইবাটাও কাৰণত সমালোচকসকলে ৰুছোৰ তত্ত্বটোৰ সমালোচনা কৰিছে। ৰুছোৰ 'সাধাৰণ ইচ্ছা'ৰ ধাৰণাটো স্পষ্ট নহয়। তেওঁ বিভিন্ন অৰ্থত সাধাৰণ ইচ্ছাৰ বিভিন্ন সংজ্ঞা বাহিৰ

কৰিছে। তেওঁ কৈছে, সকলোৰে মংগল সামৰি লোৱা ইচ্ছাটোৱেই হ'ল 'সাধাৰণ ইচ্ছা'। আনহাতে, তেওঁ ইয়াকেতিয়াবা সংখ্যা গৰিষ্ঠাৰ ইচ্ছা বুলিও ব্যাখ্যা কৰিছে। 'সামাজিক চুক্তি' আৰু 'সাধাৰণ ইচ্ছা' বিষয়ক ৰুছোৰ তত্ত্ব দুটা পৰস্পৰ বিৰোধী। অধ্যাপক ৰে'পাৰৰ মতে, যদি আমি 'সাধাৰণ ইচ্ছা'ক শ্ৰেয় বুলি ধৰোঁ, তেন্তে 'সামাজিক চুক্তি' অৰ্থহীন হৈ পৰিব। যদি 'সামাজিক চুক্তি' এক এৰাব নোৱাৰা প্ৰয়োজনীয়তা, তেন্তে আমি 'সাধাৰণ ইচ্ছা'ক শ্ৰেয় বুলি ধৰিব নোৱাৰোঁ। ৰুছোই 'সাধাৰণ ইচ্ছা' আৰু 'সকলোৰে ইচ্ছা'ৰ মাজৰ প্ৰভেদ দেখুওৱাৰ চেষ্টা কৰিছে। কিন্তু কাৰ্যতঃ দুয়োটা কথাৰ মাজত প্ৰভেদ নিৰূপণ কৰাটো অসম্ভৱ। ৰুছোই ইয়াকো কৈছে যে সাধাৰণ ইচ্ছাৰ ন্যায়ৰ সৈতে সম্পৰ্ক আছে। কিন্তু বাস্তৱত 'সাধাৰণ ইচ্ছা' আৰু ন্যায়ৰ মাজত সামঞ্জস্য স্থাপন কৰাটো অসম্ভৱ। ৰুছোই চৰকাৰৰ গণতান্ত্ৰিক ৰূপটোক সমৰ্থন কৰিছিল। কাৰণ ই সকলো নাগৰিকৰ প্ৰয়োজনীয়তাবোৰ প্ৰতি দৃষ্টি ৰাখে। কিন্তু এনে ব্যৱস্থাত যদি 'সাধাৰণ ইচ্ছা' অথবা 'সকলোৰে ইচ্ছা'ক চৰম বুলি ধৰা হয় তেন্তে সমাজত একনায়কত্ববাদৰ সৃষ্টি হ'ব।



অগ্ৰগতি নিৰীক্ষণ

১। ৰুছোই তেওঁৰ সামাজিক চুক্তি তত্ত্বটো ক'ত আলোচনা কৰিছে?

২। ৰুছোৰ মতে প্ৰকৃতি ৰাজ্য কেনেধৰণৰ আছিল?

৩। ৰুছোৰ মতে সামাজিক চুক্তি তত্ত্ব মানে কি?

৪। ৰুছোই আগবঢ়োৱা 'সাধাৰণ ইচ্ছা'ৰ ধাৰণাটো কেনেধৰণৰ?

৫। 'সাধাৰণ মংগল' বুলিলে কি বুজে?

৬। আদিম স্তৰ মানে কি?

৭। ৰুছোৰ মতে চৰকাৰৰ প্ৰকাৰবোৰ কি কি?



৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰুছোই ১৭৬২ চনত প্ৰকাশিত তেওঁৰ গ্ৰন্থ 'Social Contract' ত সামাজিক চুক্তি তত্ত্বটো আলোচনা কৰিছে।
- ৰুছোৰ মতে সমাজৰ উৎপত্তি হোৱাৰ আগতে মানুহে আনন্দেৰে, মুক্ত মনেৰে, কোনো হাবিয়াস নথকাকৈ আৰু স্বাৰ্থপৰতাহীন ভাৱে বসবাস কৰিছিল। তেওঁ এই কালছোৱাক মানৱ জাতিৰ আদিম স্তৰ বুলি অভিহিত কৰিছে।
- ৰুছোৰ মতে মানুহে আদিম সামাজিক অৱস্থাৰ পৰা নিজৰ উত্থান ঘটোৱাৰ আঁৰত নিশ্চয় কিবা বিধ্বংসী কাৰণ লুকাই আছিল।
- ৰুছোৰ মতে পাৰস্পৰিক সংৰক্ষণৰ স্বাৰ্থতে মানুহ নাগৰিক সমাজৰ সদস্য হৈছিল।

মানুহে নিজকে সুৰক্ষিত ৰখাৰ স্বার্থত এনে সমাজৰ অংশ হৈ নিজেই কর্তৃপক্ষ বাছনি কৰিছিল।

- ৰুছোৰ মতে 'সাধাৰণ ইচ্ছা' হ'ল 'সকলোৰে ইচ্ছা' (Will of all) সামৰি লৈ সকলো ব্যক্তিৰ মাজত সম্পাদিত হোৱা চুক্তি।
  ব্যক্তিয়ে যেতিয়া আইন অনুসৰণ কৰেতেতিয়া তেওঁলোকে নিজেই নিজকে অনুসৰণ কৰে। কাৰণ, আইনে ব্যক্তিৰ সাধাৰণ ইচ্ছাক সামৰি লয়।
- 'সাধাৰণ মংগল' (common good) হ'ল এটা নৈতিক ধাৰণা।সাধাৰণ মংগলে সকলো ব্যক্তিৰ 'ভাল'টো বুজায়। সমাজৰ মংগল হোৱা মানেই হ'ল সমাজৰ অংশ ব্যক্তিৰ মংগল হোৱা।



৪.১০ অধিক জানিবলৈ

1) Chakravarty, Sibnath (1962), An Introduction to Politics: Modern Book Agency Pvt. Ltd.
2) Dunning, William Archibald (1920), A history of Political Theories From Rousseau to Spencer: The Macmillan Company.
3) Paul Sanatan, Das Dhrubajyoti (2016), Western Political Thinkers: Ashok Book Stall.
4) Sanyal Jagadiswar (1994): Guide to Social Philosophy: Sribhumi Publishing House.



৪১১ অগ্রগতিৰ খতিয়ান

১। ৰুছোই ১৭৬২ চনত প্রকাশিত তেওঁৰ গ্রন্থ 'Social Contract' ত সামাজিক চুক্তি তত্ত্বটো আলোচনা কৰিছে।

২। **ৰুছোই** প্রাক্-সামাজিক মানুহৰ প্রকৃতিক মৰতত থকা সৰগৰ সৈতে তুলনা কৰিছিল। তেওঁৰ মতে এনে অৱস্থাত মানুহৰ মাজত স্বাধীনতা, সমতা আৰু ভ্রাতৃত্ববোধ আছিল।

৩। ৰুছোৰ মতে **প্রকৃতি** ৰাজ্যত বাস কৰা মানুহবোৰৰ অৱস্থা স্বর্গৰাজ্যত বাস কৰাৰ দৰে আছিল। সেই অৱস্থাত সকলো মানুহ শান্তি আৰু আনন্দেৰে বাস কৰিছিল। কিন্তু মানুহৰ সংখ্যা বঢ়াৰ লগে লগে ব্যক্তিগত সম্পত্তিক লৈ বিভিন্ন সংঘাতৰ সূত্রপাত হৈছিল। সমাজৰ অৱনতি ৰোধ কৰি পুনৰ শান্তিপূর্ণ অৱস্থা ঘূৰাই অনাৰ বাবে মানুহ এক চুক্তিত আৱদ্ধ হৈছিল। এয়াই হ'ল সামাজিক চুক্তি আৰু ইয়াৰ পৰাই কালক্রমত সমাজৰ উত্থান ঘটিছিল।

৪। **ৰুছোৰ** মতে 'সাধাৰণ ইচ্ছা' হ'ল 'সকলোৰে ইচ্ছা' (Will of all) সামৰি লৈ সকলো ব্যক্তিৰ মাজত সম্পাদিত হোৱা চুক্তি।

৫। ই সকলো ব্যক্তিৰ 'ভাল'টো বুজায়।

৬। **ৰুছোৰ** মতে সমাজৰ উৎপত্তি হোৱাৰ আগতে মানুহে আনন্দেৰে, মুক্ত মনেৰে, কোনো হাবিয়াস নথকাকৈ আৰু স্বাৰ্থপৰতাহীন ভাৱে বসবাস কৰিছিল। তেওঁ এই কালছোৱাক মানৱ জাতিৰ আদিম স্তৰ বুলি অভিহিত কৰিছে।

৭। **ৰুছোৰ** মতে পা�ৰস্পৰিক সংৰক্ষণৰ স্বাৰ্থতে মানুহ নাগৰিক সমাজৰ সদস্য হৈছিল। মানুহে নিজকে সুৰক্ষিত ৰখাৰ স্বাৰ্থত এনে সমাজৰ অংশ হৈ নিজেই কর্তৃপক্ষ বাছনি কৰিছিল। **ৰুছোই** বিভিন্ন প্ৰকাৰৰ চৰকাৰৰ কথা উল্লেখ কৰিছে, যেনে- ৰাজতন্ত্ৰ, অভিজাততন্ত্ৰ আৰু গণতন্ত্ৰ।



৪.১২ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

(১) সামাজিক চুক্তি বিষয়ক ৰুছোৰ ধাৰণাটো কি?

(২) ৰুছোৰ 'সাধাৰণ ইচ্ছা'ৰ ধাৰণাটো কি?

(৩) ৰুছোৰ বর্ণনা অনুসৰি মানৱ প্ৰকৃতি কেনেধৰণৰ আছিল?

(৪) সাধাৰণ মংগল মানে কি?

(৫) আদিম স্তৰ মানে কি?

(৬) মানুহে কেনেদৰে সামাজিক চুক্তি সম্পাদিত কৰিছিল?

(৭) মানুহে কিয় নাগৰিক সমাজ গঠন কৰিছিল?

(৮) ৰুছোই একনায়কত্ববাদী চৰকাৰৰ পোষকতা কৰিছিল নেকি?

(খ) চুটি প্ৰশ্ন (উত্তৰ প্ৰায় ১৫০ মান শব্দৰ ভিতৰত) কৰিব।

(১) মানৱ প্ৰকৃতি সম্পর্ক ৰুছোই আগবঢ়োৱা ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

(২) ৰুছোৰ সামাজিক চুক্তি তত্ত্বটো চমুকৈ ব্যাখ্যা কৰক।

(৩) 'সাধাৰণ ইচ্ছা'ৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

(৪) 'সাধাৰণ ইচ্ছা' আৰু 'সাধাৰণ মংগল'ৰ মাজত থকা সম্পর্কৰবিষয়ে এটা চমুটোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্নঃ(উত্তৰ প্ৰায় ৩০০-৫০০ মান শব্দৰ ভিতৰত) কৰিব।

(১) 'সাধাৰণ ইচ্ছা' বুলিলে কি বুজে?'সাধাৰণ ইচ্ছা' আৰু 'সাধাৰণ মংগল'ৰ মাজত থকা সম্পর্ক ব্যাখ্যা কৰক।

(২) সাধাৰণ মংগল বুলিলে কি বুজে? কেনেকৈ সাধাৰণ মংগলৰ অৱস্থাতউপনীত হ'ব পৰা যায় বৰ্ণনা কৰক।

(৩) ৰুছোৰ সামাজিক চুক্তি তত্ত্বটোৰ সমালোচনামূলক আলোচনা আগবঢ়াওক।

(৪) ৰুছোৰ 'সাধাৰণ ইচ্ছা'ৰ ধাৰণাটোৰ সমালোচনা মূলক আলোচনা আগবঢ়াওক।

** ****** **